প্ৰেছ বিজ্ঞপ্তি

## দুদিনীয়া কৰ্মসূচীৰে কেন্দ্ৰীয় পেট্ৰ'লিয়াম সচিব তৰুণ কাপুৰৰ এন আৰ এল ভ্ৰমণ

# কেন্দ্ৰীয় পেট্ৰ'লিয়াম সচিবৰ এন আৰ এলৰ প্ৰকল্পসমূহৰ প্ৰগতিৰ সমীক্ষা

গুৱাহাটী, ২৩ জুন ঃ পেট্ৰ'লিয়াম মন্ত্ৰালয়ৰ সচিব আই এ এছ তৰুণ কাপুৰে এন আৰ এলৰ ৰিফাইনেৰী বিস্তাৰ প্ৰকল্প আৰু বায়ো ৰিফাইনেৰী প্ৰকল্প সম্বন্বিতে মুখ্য প্ৰকল্পসমূহৰ প্ৰগতিৰ সমীক্ষা কৰাৰ উদ্দেশ্যে দুদিনীয়া কৰ্মসূচীৰে নুমলীগড় ৰিফাইনেৰী ভ্ৰমণ কৰে।

এই ভ্ৰমণৰ সময় চোৱাত শ্ৰী কাপুৰে কাম সমূহ নিৰীক্ষণ-পৰ্যবেক্ষণ কৰাৰ আগতে ৰিফাইনেৰী বিস্তাৰ প্ৰকল্পৰ মুখ্য দ্বাৰ "প্ৰগতি দ্বাৰ' ৰ আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে। তেওঁৰ লগত এন আৰ এলৰ চেয়াৰমেন শ্ৰী এছ চি মিশ্ৰ, এন আৰ এলৰ পৰিচালন সঞ্চালক (এম ডি) শ্ৰী এছ কে বৰুৱা, সঞ্চালক (কাৰিকৰী) শ্ৰী বি জে ফুকন, সঞ্চালক (বিত্ত) শ্ৰী আই মিত্ৰ আৰু কোম্পানীৰ অন্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

আনহাতে, পেট্ৰ'লিয়াম মন্ত্ৰালয়ৰ সচিব শ্ৰী কাপুৰে এন আৰ এলৰ পৰিচালন সঞ্চালক শ্ৰী বৰুৱাৰ লগত ধনশিৰি মুখলৈও যায় আৰু ধনশিৰি নদীৰ নলা আৰু ইয়াত জল পৰিবহনৰ সুবিধাৰ সন্দৰ্ভত বুজ ল'বলৈ ধনশিৰি নদীত প্ৰায় এক ঘণ্টা নৌকাৰে পৰিভ্ৰমণ কৰে। উল্লেখ্য, এন আৰ এলে কোম্পানীটোৰ বিস্তাৰ প্ৰকল্পৰ অধিক ওজন আৰু আকাৰত ডাঙৰ সামগ্ৰীসমূহৰ পৰিবহণৰ ক্ষেত্ৰত ধনশিৰি নদীখন ব্যৱহাৰ কৰাৰ পৰিকল্পনা কৰিছে।

সচিবগৰাকীয়ে ৰিফাইনেৰীৰ মুখ্য নিয়ন্ত্ৰণ কক্ষটোও নিৰীক্ষণ কৰে আৰু তেওঁ নিয়ন্ত্ৰণ কক্ষত ৰিফাইনেৰীৰ পৰিচালনাৰ সম্বন্ধে বুজ লয়। ইয়াৰ পিছত সচিব গৰাকীয়ে দেশৰ ভিতৰতে পেৰাফিন ৱেক্স উৎপাদন কৰা সকলোতকৈ ডাঙৰ ইউনিট এন আৰ এলৰ ৱেক্স প্লাণ্টটোৰ ৱেক্স স্লেবিং ইউনিটটোলৈ যায়। তেওঁ বায়ো ৰিফাইনেৰী প্ৰকল্প স্থলীৰো নিৰীক্ষণ কৰে আৰু বায়ো ৰিফাইনেৰী প্ৰকল্পৰ প্ৰগতিৰ বুজ লয়। তেওঁক নিৰ্মাণ স্থলীত লাইভ ড্ৰোণ ফীডৰ জৰিয়তে বায়ো ৰিফাইনেৰীৰ বিস্তৃত প্ৰগতিৰ বিষয়ে অৱগত কৰোৱা হয়। ১৭০০ তকৈ অধিক প্ৰকল্প কৰ্মকৰ্তাই বৰ্তমানেও কঠোৰ ভাৱে ক'ভিড প্ৰ'টোকল মানি এন আৰ এল আৰু এ বি আৰ পি এল (অসম বায়ো ৰিফাইনেৰী প্ৰাইভেট লিমিটেড)ৰ বিভিন্ন নিৰ্মাণ স্থলীত কাম কৰি আছে।

ইয়াৰ পিছত সচিবগৰাকীয়ে এন আৰ এলৰ জ্যেষ্ঠ বিষয়াসকলৰ লগত বিভিন্ন বিষয়ত আলোচনা কৰে আৰু এন আৰ এলৰ নতুন কৰ্পোৰেট ফিল্মৰ শুভাৰম্ভ কৰে। ৰণনীতি পদক্ষেপৰ মাধ্যমেৰে কোম্পানীটোৰ ভৱিষ্যৎ দৃষ্টিভংগীৰ ওপৰত এক সংক্ষিপ্ত প্ৰস্তুতি প্ৰদান কৰা হয়। সচিবগৰাকীয়ে মুখ্য প্ৰকল্পসমূহৰ প্ৰগতিৰ ওপৰত সন্তোষ প্ৰকাশ কৰে আৰু প্ৰকল্পসমূহৰ বিনা বাধাৰে সম্পূৰ্ণ কৰাৰ সন্দৰ্ভত তেওঁৰ সম্পূৰ্ণ সহযোগ-সমৰ্থনৰ আশ্বাস প্ৰদান কৰে।

ভাৰত চৰকাৰৰ পেট্ৰ'লিয়াম মন্ত্ৰালয়ৰ সচিব গৰাকীয়ে নুমলীগড়লৈ যোৱাৰ আগতে ২১ জুনত অসমৰ মুখ্য সচিব শ্ৰী জিষ্ণু বৰুৱা (আই এ এছ) আৰু ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলৰ লগত এখন বৈঠকত মিলিত হয়। এই বৈঠকত অসমত তেল আৰু গেছ উদ্যোগৰ লগত জড়িত বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰা হয়। তেওঁৰ লগত এন আৰ এলৰ এম ডি শ্ৰী এছ কে বৰুৱা, অইলৰ সঞ্চালক (পৰিচালনা) শ্ৰী পি কে গোস্বামী আৰু আই অ' চি এল, অ' এন জি চি আৰু আই জি জি এল সম্বন্বিতে তেল কোম্পানীসমূহৰ প্ৰতিনিধিসকলো উপস্থিত থাকে।